**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-Feb-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***
——————————————

বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চৰাইদেউ মৈদামৰ স্বীকৃতিয়ে কেৱল অসমৰে নহয়, বৰঞ্চ সমগ্ৰ দেশৰ ইতিহাসক বিশ্ব দৰবাৰত নতুন পৰিচয় প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। চৰাইদেউ জিলাত কালি ইউনেস্ক'ই চৰাইদেউ মৈদামক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে স্বীকৃতি দিয়া স্মাৰক ফলক উন্মোচন কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে চৰাইদেউত এতিয়াও বহু ঐতিহাসিক সমল অনুসন্ধান কৰিবলৈ বাকী আছে। এই সমলসমূহৰ বৈজ্ঞানিক গৱেষণাৰ বাবে ৰাজ্যৰ যিকোনো এখন বিশ্ববিদ্যালয়ে এই বিষয়ত এটা অধ্যয়ন কেন্দ্ৰ গঢ়ি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে যাতে এই বিষয়ত ডক্টৰেট ডিগ্ৰী লাভ কৰিব পাৰে, তাৰবাবে চৰকাৰে গৱেষণা অনুকুল পৰিৱেশ গঢ়ি তুলিব বুলি ড° শৰ্মাই উল্লেখ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে কালি নাজিৰা আৰু যোৰহাট বিধান সভা সমষ্টিত আত্মসহায়ক গোটৰ সদস্যাসকলৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰে। যোৰহাটত এই অনুষ্ঠানৰ অংশগ্ৰহণৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ অহা মাৰ্চত জিলাখনত শুভাৰম্ভ কৰিবলগীয়া উন্নয়নমূলক প্ৰকল্পসমূহৰ বিষয়ে প্ৰকাশ কৰে।

বাইট

০০০০০০

সমাগত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত কালি এখন বৈঠক অনুষ্ঠিত হয়। অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত পৰীক্ষা সম্পৰ্কীয় সকলো দিশ সামৰি সংশ্লিষ্ট বিষয়াসকলৰ সৈতে আলোচনা কৰা হয়।

মৰিগাঁও জিলাতো হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শান্তিপূৰ্ণ তথা সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰা হয়। এই অনুসৰি পৰীক্ষাৰ দিনকেইটাত পৰীক্ষাকেন্দ্ৰৰ আশে-পাশে লাউড স্পীকাৰ, মাইক্ৰ'ফোন আদিৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। পৰীক্ষা কেন্দ্ৰসমূহৰ চৌহদৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত জনসাধাৰণৰ সমাগম নিষিদ্ধ কৰা হৈছে। পৰীক্ষাৰ্থীসকলে পৰীক্ষা কক্ষলৈ ম'বাইল ফোন, ইলেকট্ৰনিক সঁজুলী বা কোনো সন্দেহজনক সামগ্ৰী লৈ যাব নোৱাৰিব। পৰীক্ষা প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত এই আদেশ বলৱৎ হৈ থাকিব।

উল্লেখযোগ্য যে অহা ১০ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশন আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত হ'ব। পুৱা নিকা কৰণেৰে অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আৰম্ভ হ'ব। ইয়াৰ পাছত প্ৰাতঃপ্ৰসংগ, নাম প্ৰসংগ, গছপুলি ৰোপণ, মূৰ তোৰণ উন্মোচন, নামঘৰৰ তোৰণ উন্মোচন, শৰণ সমিতিৰ বৈঠক, মূল সমিতি আৰু আদৰণি সমিতিৰ কাৰ্যালয় উন্মোচনকে ধৰি একাধিক কাৰ্যসূচী ৰূপায়ন কৰা হ'ব।

এইবাৰৰ অধিৱেশনত কুৰি খনৰো অধিক গ্ৰন্থ উন্মোচন কৰা হ'ব। অধিৱেশনত ছখন অংকীয়া ভাওনাৰো প্ৰদৰ্শন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ অধিৱেশনত অংশগ্ৰহণ কৰিব।

oooooo

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ খাজিখোৱা গল্ফ খেলপথাৰত কালিৰে পৰা মটক যুৱ মহোৎসৱ অনুষ্ঠিত হৈছে। সদৌ অসম মটক সন্মিলনৰ সভাপতি চান্দ কুমাৰ গোঁহাই আৰু সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি ৰঞ্জিত গোঁহায়ে পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অহা ৮ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া এই মহোৎসৱত মটক জনগোষ্ঠীৰ বিভিন্ন লোক কলাকৃষ্টি, লোকাচাৰ, লোক গীত-মাত আদি প্ৰদৰ্শন কৰা হ'ব।

oooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সামূহিক অনাতাঁৰ কেন্দ্ৰ ৰেডিঅ' জ্ঞান মালিনীৰ উদ্যোগত আৰু অসম চিকিৎসা মহাবিদ্যালয়ৰ চকু চিকিৎসা বিভাগৰ সহযোগত কলৌলোৱা আদৰ্শ দেউৰী গাঁৱত কালি বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত অঞ্চলটোৰ ডেৰশ গৰাকী লোকৰ চকু পৰীক্ষা কৰাৰ উপৰি ঔষধ প্ৰদান কৰা হয়। তদুপৰি প্ৰায় ১০০ গৰাকী লোকক বিনামূলীয়াকৈ চশমা দিয়া হয়। তিনিগৰাকী চকুৰ ৰোগীক অস্ত্ৰোপচাৰৰ বাবে অসম চিকিৎসা মহাবিদ্যালয়ৰ চকু চিকিৎসা বিভাগলৈ নিয়াৰ ব্যৱস্থা কৰা হয়।

oooooo

**সমাপ্ত**